2 0 2 1

( Held in 2022 )

# PHILOSOPHY

Paper : PHI–HC–3016

**( Western Philosophy : Descartes to Hegel )**

( Honours Course )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*Answer* either *in English* or *in Assamese*

**1.** Answer the following by stating if the statement is True or False : 1×10=10

নিম্নলিখিত উক্তিসমূহ সত্য নে অসত্য নিৰূপণ কৰা :

(a) Descartes advocates psycho-physical parallelism.

ডেকাৰ্ট হ'ল মনো-দৈহিক সমান্তৰালবাদৰ প্ৰবক্তা।

(b) Spinoza's system is strictly deterministic.

স্পিনোজাৰ পদ্ধতি হ'ল কঠোৰভাৱে নিৰ্ধাৰাত্মক।

(c) Leibniz sought to construct a system of thought which would possess the certainty of mathematics.

লাইব্‌নিজে চিন্তাৰ এক পদ্ধতি গঠন কৰিবলৈ বিচাৰিছিল যিয়ে গাণিতিক নিশ্চয়তা প্ৰদান কৰে।

(d) According to Hegel, absolute is a 'Complete Whole'.

হেগেলৰ মতে, পৰমসত্তা এক 'পূৰ্ণ সমগ্ৰতা'।

(e) For Locke, thinking is the essence of soul.

ল'কৰ মতে, চিন্তা হ'ল আত্মাৰ সাৰসত্তা।

(f) According to Hume, sensations arise in the soul from unknown causes.

হিউমৰ মতে, সংবেদনসমূহ আত্মাত অজ্ঞাত কাৰণৰ পৰা উদয় হয়।

(g) Kant says, "There can be no doubt that all knowledge begins with experience".

কাণ্টৰ মতে, "ইয়াত কোনো সন্দেহ নাই যে সকলো প্ৰকাৰৰ জ্ঞান অভিজ্ঞতাৰ পৰাই আৰম্ভ হয়"।

(h) Kant holds that forms of intelligence depend on the phenomenal order.

কাণ্টে কয় যে বুদ্ধিৰ প্ৰকাৰসমূহ অৱভাসিক ৰূপৰ ক্ৰমৰ ওপৰত নিৰ্ভৰ কৰে।

(i) According to Hegel, the business of philosophy is to know the world of nature.

হেগেলৰ মতে, প্ৰকৃতি জগতক জনাটোৱেই হৈছে দৰ্শনৰ কাম।

(j) For Hegel, logic is different from philosophy.

হেগেলৰ মতে, তৰ্কবিদ্যা দৰ্শনৰ পৰা পৃথক।

2. Answer the following questions : 2×5=10

তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়া :

(a) Mention two characteristics of Descartes' philosophy that contribute to it being called Modern.

ডেকাৰ্টৰ দৰ্শনৰ দুটা বৈশিষ্ট্য উল্লেখ কৰা যিয়ে ইয়াক আধুনিক বুলি গণ্য কৰাত অৰিহণা যোগায়।

(b) What is the meaning of *Natura Naturata* as understood by Spinoza?

স্পিনোজাই বুজোৱা *Natura Naturata*ৰ অৰ্থ কি?

(c) What is the nature of Leibnizian monads?

লাইব্‌নিজীয় ম'নাডৰ স্বৰূপ কি?

(d) What features distinguish primary qualities from secondary qualities in Locke's philosophy?

ল'কৰ দৰ্শনত কি বৈশিষ্ট্যই মুখ্য আৰু গৌণ গুণৰ মাজত পাৰ্থক্য নিৰ্ণয় কৰে?

(e) What does Hume understand by 'impressions'?

'Impressions' (মুদ্ৰণ) বুলিলে হিউমে কি বুজায়?

3. Write short notes on any *four* of the following : 5×4=20

তলত দিয়াবোৰৰ যি কোনো **চাৰিটাৰ** চমু টোকা লিখা :

(a) Descartes' method in Philosophy

দৰ্শনত ডেকাৰ্টৰ পদ্ধতি

(b) Leibniz's theory of pre-established harmony

লাইব্‌নিজৰ পূৰ্ব-প্ৰতিষ্ঠিত শৃংখলাবাদ

(c) Substances in Locke's philosophy

ল'কৰ দৰ্শনত দ্ৰব্য

*(d)* Kant's 'forms of intuition'

কাণ্টৰ 'অন্তৰ্জ্ঞানৰ আকাৰ'

*(e)* 'Being' in Hegel's philosophy

হেগেলৰ দৰ্শনত 'সত্তা'

*(f)* Hegel's Master-Slave Dialectic

হেগেলৰ Master-Slave দ্বন্দ্ব

**4.** Answer any *four* of the following : 10×4=40

তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ দিয়া :

*(a)* Write a note on Descartes' doctrine regarding relation of mind and body.

ডেকাৰ্টৰ মন আৰু দেহৰ সম্বন্ধ সম্পৰ্কীয় মতবাদটোৰ বিষয়ে এটি টোকা লিখা।

*(b)* Write an essay on Spinoza's universal substance.

স্পিনোজাৰ সাৰ্বিক দ্ৰব্য সম্বন্ধে এখনি ৰচনা লিখা।

*(c)* Elucidate Berkeley's doctrine that 'existence consists in being perceived' (*esse est percepi*).

বাৰ্কলিৰ 'প্ৰত্যক্ষতে বস্তু বিদ্যমান' মতবাদটো যথাৰ্থভাৱে ব্যাখ্যা কৰা।

*(d)* Discuss Hume's 'denial of 'Soul-substance'.

হিউমে 'আত্মা দ্ৰব্য'ক কেনেদৰে অস্বীকাৰ কৰিছে, আলোচনা কৰা।

*(e)* "Knowledge consists of synthetic *a priori* judgments." Discuss.

"জ্ঞান সংশ্লেষণাত্মক অভিজ্ঞতাপূৰ্ব বচনেৰে গঠিত।" আলোচনা কৰা।

*(f)* Give an account of Hegel's dialectical method.

হেগেলৰ দ্বান্দ্বিক পদ্ধতিৰ মূল্য নিৰূপণ কৰা।

★★★